# বৈধব্য যন্ত্ৰণাৰ জীৱন্ত দস্তাৱেজ - "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত প্ৰতিফলিত নাৰীমনৰ দ্বন্দ্ব" - এক চমু আলোচনা

*বিনীতা ভূঞা*

হৃদয়ৰ তপস্বিনী ৰূপে সৰ্বজন স্বীকৃত আৰু সমাদৃত মামণি ৰয়চম গোস্বামী অসমীয়া সাহিত্য জগতৰ এক উজ্জ্বল নক্ষত্ৰ। দুখ-হতাশাৰে ভাৰাক্ৰান্ত জীৱনক প্ৰত্যাহ্বান জনাই এইগৰাকী মহীয়সী নাৰীয়ে হাতত কলম তুলি লৈছিল। জীৱনে দিয়া অপ্ৰত্যাশিত সংঘাতে তেখেতক প্ৰথম অৱস্থাত দুৰ্বল কৰি তুলিছিল যদিও পাছলৈ সেই বিষাদ গধুৰ স্মৃতিবোৰেই জীয়াই থকাৰ প্ৰেৰণা হৈ পৰে। ব্যক্তিগত জীৱনত লাভ কৰা অম্ল-মধুৰ অভিজ্ঞতা, সমাজ জীৱনত দেখা পোৱা অন্যায় অবিচাৰ, ভণ্ডামি-স্বেচ্ছাচাৰিতা আদিক সাহিত্যৰ বিষয়বস্তু কৰি লয় এইগৰাকী সংবেদনশীল লেখিকাই আৰু এনেকৈয়ে নিৰলস আৰু আন্তৰিক সাধনাৰে নিজকে বিদ্বৎ সমাজৰ মাজত জনপ্ৰিয় কৰি তোলে। লগতে সাধাৰণ পাঠকৰ মাজতো তেওঁৰ বলিষ্ঠ আৰু মানৱতাবাদী চিন্তা-চৰ্চাই পৰিচিতি লাভ কৰে।

মানৱতাবাদী লেখিকা হিচাপে জনপ্ৰিয়তা অৰ্জন কৰা গোস্বামীৰ হৃদয় কেৱল সাধাৰণ মানুহৰ দুখ-দুৰ্দশাক লৈ ব্যস্ত। বিশেষকৈ সমাজত লাঞ্ছিত, নিপীড়িত, বঞ্চিত, অৱহেলিত নাৰীৰ অৱদমিত ক্ষোভ-যন্ত্ৰণাৰ মনস্তাত্ত্বিক চিত্ৰায়ণ তেওঁৰ গল্প-উপন্যাসত সততে পৰিলক্ষিত হয়। ব্যক্তিগত জীৱনত এনে বহু তিক্ত অভিজ্ঞতাই ভাৰাক্ৰান্ত কৰিছিল যদিও একমাত্ৰ ধৈৰ্য, সাহস আৰু কিবা এটা কৰাৰ দুৰন্ত হেঁপাহে মামণি ৰয়চমক উদ্ধাউল কৰিছিল। এই ক্ষেত্ৰত বহুকেইজন ব্যক্তিয়েও তেওঁক আন্তৰিক প্ৰেৰণা যোগাইছিল। লাহে লাহে তেওঁৰ জীৱনৰ ঘাত প্ৰতিঘাত, দুখবোৰ গৌণ হৈ পৰে। এই সম্পৰ্কে তেওঁ এনেদৰে কৈছিল - "অহৰহ কঢ়িয়াই লৈ ফুৰা দুখবোধটো এটা সময়ত ইমানেই তীব্ৰ হ'ল যে ই মোক সকলোৰে উৰ্দ্ধলৈ লৈ গ'ল।"

এই গৰাকী প্ৰতিভাশালী লেখিকাৰ অন্যতম শ্ৰেষ্ঠ উপন্যাস "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা।" এটা সম্ভ্ৰান্ত পৰিয়ালৰ অৱক্ষয়ৰ চিত্ৰ উপন্যাসখনৰ মুখ্য বিষয়। ইয়াত তিনি গৰাকী বিধৱা নাৰীৰ মানসিক দ্বন্দ্ব সংবেদনশীলতাৰে অংকন কৰা হৈছে। অকাল বৈধব্যই একোগৰাকী নাৰীৰ জীৱন কিদৰে বিধ্বস্ত কৰি তোলে তাৰ জীৱন্ত দস্তাৱেজ উপন্যাসখনৰ মাজত পৰিদৃশ্যমান। উপন্যাসখনিৰ তিনিটা মুখ্য নাৰী চৰিত্ৰ দুৰ্গা, সৰু গোসাঁনী আৰু গিৰিবালাই সমাজৰ পৰা, নিজৰ আপোনজনৰ পৰা লাভ কৰা তিক্ত অভিজ্ঞতাক

নিৰ্মোহভাৱে বিশ্লেষণ কৰিছে। তেওঁ দ্বিধাহীনভাবে স্বীকাৰ কৰিছে - "মোৰ নাৰী চৰিত্ৰসমূহৰ মাজত মোৰ ব্যক্তিগত জীৱনৰ ক্ষোভ, শোক মিশ্ৰিত হৈ থাকে।"

হৃদয়ৰ তপস্বিনী মামণি ৰয়চম গোস্বামীয়ে নিজৰ লেখনী সম্পৰ্কত মন্তব্য দি কৈছিল - "মই যি লিখো হৃদয়ৰ পৰা লিখোঁ, কোনো Trend যেনে - নাৰীবাদ বা মাৰ্ক্সবাদ বা আনেই হওক - মই ট্ৰেণ্ড মতে লিখিব নিবিচাৰোঁ। হৃদয়ত যি আছে সেয়াই লিখি ভাল পাওঁ।" এইগৰাকী মানৱদৰদী সংবেদনশীল লেখিকাৰ জনপ্ৰিয় উপন্যাস "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা"ত প্ৰতিফলিত বৈধব্যৰ যন্ত্ৰণা আৰু মানসিক দ্বন্দ্বৰ এক চমু আলোচনা আমাৰ প্ৰবন্ধত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

উপন্যাসখনৰ অন্যতম মুখ্য চৰিত্ৰ দুৰ্গা আমৰাঙা সত্ৰৰ অধিকাৰ মহাপ্ৰভুৰ ভনীয়েক, চিকাৰহাটীৰ গোসাঁই পৰিয়ালৰ বোৱাৰী। স্বামীৰ অকাল মৃত্যুৱে দুৰ্গাৰ জীৱনলৈ ঘোৰ অমানিশা কঢ়িয়াই আনে। দুৰ্গাৰ কুষ্ঠিত থকা পাপগ্ৰহৰ কাৰণে তাই বিধবা হ'ল বুলি শহুৰেকৰ ঘৰৰ মানুহে তাইক দোষাৰোপ কৰিলে। ঘৰুৱা মাংগলিক কাম-কাজত তাইৰ অংশগ্ৰহণ নিষিদ্ধ কৰা হ'ল। লাহে লাহে তাই এক জীৱন্ত নৰকংকাললৈ ৰূপান্তৰিত হ'ল। সকলো ভাগ্যৰ লিখন বুলি তাই পতিয়ন গ'ল আৰু লগে লগে "শহুৰৰ ঘৰত প্ৰেতিনীৰ দৰে কাথিত বহি তুঁহ জুই পুৰাই থকা একপ্ৰকাৰ অভ্যাসতেই পৰিণত হ'ল।"

তাইৰ থকা মেলা, খোৱা-বোৱাৰ প্ৰতি ঘৰৰ কোনেও মন নকৰা হ'ল। তাইৰ মানসিক অৱস্থাৰ বুজ লোৱা দূৰৰে কথা। তাই নিৰ্বিকাৰ, নিস্পৃহ, প্ৰতিবাদৰ প্ৰশ্নই মনলৈ নাহে। পুৱাতে স্নান কৰি শাহুৰেকক তৰি-তৰকাৰী যতনাই দিয়া, ঘৰলৈ কাম কৰিবলৈ অহা তিৰোতাবোৰক জলপান যোগাৰ দিয়া, গধূলি স্বামীৰ খৰম থোৱাত কোঠাত সন্ধ্যা কৰা তাইৰদৈনিক কৰ্তব্য। জীৱনৰ নিৰ্মমতাক সহজভাবে মানি লৈ দুৰ্গাই এক গতানুগতিক জীৱন পাৰ কৰিছে। তাত কোনো নতুনত্ব নাই অথবা নাই কোনো আশাৰ চিটিকনি। লাহে লাহে তাইৰ দেহ মনত তাৰ প্ৰভাৱ পৰিল। সতি-সন্ততি নথকাৰ কাৰণে অব্যক্ত এক নৈৰাশ্যই তাইক জুৰুলা কৰিবলৈ ল'লে। তাতে স্বামীৰ অকাল মৃত্যুৱে তাইক কঠোৰ বাস্তৱৰ সন্মুখীন কৰাত তাইৰ স্বভাৱ ক্ৰমাৎ খিংখিঙিয়া হৈ পৰিল স্বাভাৱিক আৰু অৱধাৰিতভাৱে। দুৰ্গাৰ মানসিক যন্ত্ৰণাৰ ছবি লেখিকাই অংকন কৰিছে এনেদৰে — "দুৰ্গাই বিচৰণ কৰি ফুৰা চিন্তাৰ জগতখন শ্মশানৰ দৰে শূন্য। কৰ্কশঙ্গ এই শূন্য শ্মশানত কিবা এটা খামুচি ধৰি জীয়াই থকাও কিছুদিনৰ পৰা দুৰূহ হৈ পৰিছে।"

জীৱনৰ এনে এক সন্ধিক্ষণত ভতিজাক ইন্দ্ৰনাথে পেহীয়েক দুৰ্গাক কিছুদিনৰ কাৰণে বুলি নিজৰ ঘৰলৈ লৈ আনে। শহুৰেকৰ ঘৰৰ মানুহেও আগ্ৰহেৰে মাকৰ ঘৰলৈ পঠালে। স্বয়ং শহুৰেকে আশ্বাস দি ক'লে — "যা মাই, মই গহাঁঈঘৰৰ যাত্ৰাৰ পাছদিনা তহনাক লৈ আহিম।" কিন্তু বছৰৰ পাছত বছৰ অতিক্ৰম কৰিলে, চিকাৰহাটীৰ পৰা দুৰ্গাক ওভতাই নিবলৈ হ'লে কোনো নাহিল। দুৰ্গাই সেই ঘৰ ত্যাগ কৰাৰ পাছত নানা শুভকাৰ্য সংঘটিত হ'বলৈ ধৰাত স্বামীগৃহৰ মানুহে পাপগ্ৰহ আঁতৰ হোৱা বুলি ধৰি লৈ দুৰ্গাক ওভতাই ননাৰ সিদ্ধান্ত ল'লে। লেখিকাই সেই সময়ৰ সমাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰৰ চিত্ৰও ঠাই বিশেষে এনেদৰে দাঙি ধৰিছে।

ইন্দ্ৰনাথে পেহীয়েকক স্বামীঘৰৰ পৰা আহি ভুল কাম কৰা বুলি বুজালে। লগতে সা-সম্পত্তিৰ

কাৰণে মামলা-মোকৰ্দমা হ'ব পাৰে বুলি শংকা প্ৰকাশ কৰিলে। তেতিয়া দুৰ্গাৰ প্ৰচণ্ড খং উঠিল আৰু ক'লে — "টাকাৰ আহিব। মানুহো আহিব। তই মাতি আনিছিলি দেখিহে মই ভবা-চিন্তা নকৰি গুচি আহিলো। আৰু গুচি যাম...। নিভাতো আহিবই। মোকনো আৰু ইয়াত মৰবাক গেলি পেলে থৈ যাৰ না ঐ।" তথাপি তাইৰ মনত শংকা জাগে যদি সঁচাকৈ কৰ্ট-কাছাৰী কৰিব লগা হয়।

উপায়হীন দুৰ্গাই পৰিস্থিতিৰ সৈতে নিজকে খাপ খুৱাই ল'লে আৰু মনৰ দুখ-বেজাৰ মনতে সামৰি থ'লে। লেখিকাই দুৰ্গাক এগৰাকী পতিব্ৰতা নাৰীৰ ৰূপত অংকন কৰিছে যি সমাজৰ নিয়ম নতশিৰে মানি লৈ জীৱনৰ বাকী থকা দিনবোৰ স্বামীৰ চৰণ চিন্তি পাৰ কৰিবলৈ বদ্ধ-পৰিকৰ। দুৰ্গাই মৃত স্বামীৰ খৰমত ফুল তুলসী দিয়েই মানসিক শান্তি লাভ কৰিছিল আৰু স্বামীৰ অস্থি গংগাত বিসৰ্জন দিয়াৰ সপোন পুহি ৰাখিছিল। তাইৰ কিছু সাঁচতীয়া গহনা আৰু টকাই আছিল তাইৰ একমাত্ৰ সম্বল। তাইৰ মনৰ আগ্ৰহৰ কথা বৌয়েকক কোৱাত কোনো ধৰণৰ সঁহাৰি নাপালে। পাণ্ডাবোৰেও তাইক ঠাট্টা কৰিবলৈ লয়। চিকাৰহাটীৰ দামোদৰীয়া গোসাঁইৰ পৰিয়ালৰ বোৱাৰীৰে আজি এই দুৰ্গতি। স্বামীঘৰৰ মানুহে যে সঁচাকৈ তাইক নিবলৈ নাহে কথাষাৰ তাই মানি ল'ব পৰা নাই।

পৰিস্থিতিয়ে দুৰ্গাক মানসিকভাৱে দুৰ্বল কৰি পেলালে। বৌৱেকৰ লগতো মনোমালিন্য ঘটিল। নিজৰ ঘৰতে তাই আলহীত পৰিণত হ'ল। লাহে লাহে তাইৰ আচৰণৰ পৰিৱৰ্তন ওচৰচুবুৰীয়াৰ দৃষ্টিগোচৰ হ'ল। নানান জনে নানানটা উপদেশ দিবলৈ ল'লে। তাৰ মাজতে কোনোবাই কৰ্ট-কাছাৰী কৰাৰ পৰামৰ্শ দিয়াত দুৰ্গাই প্ৰতিবাদ কৰিলে। লেখিকাই দুৰ্গাৰ মৰ্মবেদনা এনেদৰে প্ৰকাশ কৰিছে — "চুপ থাক। এই সত্ৰৰ গহেৰ জীয়াক মাটি-বাৰীৰ বাবে গুৱাহাটীত কাছাৰীৰ উঠিব না ঐ। সিহঁতে আহিব চাই থাকিবি সিহাঁত আহিব। তাইৰ উগ্ৰমূৰ্তি দেখি তাৰ মাজৰ এজনীয়ে বুজালে যে স্বামীৰ সম্পত্তি পাবলৈ হ'লে স্বামীগৃহত থাকিব লাগিব। ডলাৰ বগৰীৰ দৰে থাকিলে সকলো হেৰুৱাব লাগিব। মনৰ ক্ষোভত দুৰ্গাই তাইৰ টিনৰ বাকচৰ সাঁচতীয়া সম্পদখিনি লৈ সৰু গোসাঁনীৰ ঘৰ পালেগৈ। প্ৰয়োজন হ'লে তাকে বেছি তাই কাশীধামলৈ যাব। দুৰ্গাৰ মানসিক অৱস্থা সৰু গোসাঁনীয়ে অনুভৱ কৰিলে কাৰণ তেওঁ নিজে বৈধব্যৰ যন্ত্ৰণাৰে ভাৰাক্ৰান্ত। তথাপি তেওঁ দুৰ্গাক বুজালে — "যাৰ মূৰৰ ওপাৰৰ ছত্ৰছায়া খহি পচ্ছি তাৰ মান অভিমান খোলাকাটিৰ তালহে হয়।"

খঙৰ ভমকত নিজৰ ঘৰ এৰি সৰু গোসাঁনীৰ ঘৰত আশ্ৰয় লোৱা দুৰ্গাৰ খবৰ ল'বলৈ বা ওভতাই নিবলৈ কোনো অহা নাই। প্ৰচণ্ড অভিমানত তাই সৰু গোসাঁনীৰ লগত কাথিত বহি লয়। নিঃসংগতাৰ অব্যক্ত যন্ত্ৰণাই হেঁচি ধৰাত তাই চকুলো ওলায়। অৱশেষত মৰমৰ ভতিজাক ইন্দ্ৰনাথে তাইক লৈ যায়হি।

লাহে লাহে দুৰ্গা শাৰীৰিক ভাৱে দুৰ্বল হৈ পৰে। অনবৰত এক বোবা যন্ত্ৰণাই তাইক খুলিখুলি খাবলৈ ধৰিলে। যোল্ল বছৰ স্বামীৰ লগত পাৰ কৰা সুখ-দুখৰ স্মৃতিয়ে তাইক আমনি কৰিবলৈ ল'লে। মৃত স্বামীৰ খৰম বুকুত সাৰটি থকা কাৰ্যৰ জৰিয়তে তাইৰ অবদমিত আশা আকাংক্ষাক লেখিকাই নান্দনিক ৰূপত অংকন কৰিছে। তদুপৰি তাইৰ সাঁচতীয়া গহনা চুৰি হোৱাত তাই আন এক আঘাত পায়। ক্ৰমাৎ তাই জীয়াই থকাৰ ইচ্ছা হেৰুৱায় পেলায়। তাইৰ জীৱনৰ এনে কাৰুণ্যৰ প্ৰকাশ লেখিকাই এনেদৰে প্ৰকাশ

কৰিছে — "সকলো অহংকাৰ, সকলো অভিমান ... মুহূৰ্তত শেষ হৈ গ'ল।" শেষত কাৰো প্ৰতি কোনো ধৰণৰ ক্ষোভ মনত নাৰাখি তাই স্বামীগৃহলৈ প্ৰত্যাৱৰ্তনৰ সিদ্ধান্ত লয়। খেহ ৰোগত আক্ৰান্ত অস্থিচৰ্মসাৰ ৰূপ লোৱা দুৰ্গাৰ আসন্ন মৃত্যু নিশ্চিত হোৱাত ঘৰৰ মানুহেও তাইক স্বামীগৃহত পঠিওৱাৰ সিদ্ধান্ত লয়।

এগৰাকী পতিব্ৰতা বিধবাৰ মানসিক দুৰ্দশাৰ, তাইৰ অৱদমিত আশা-আকাংক্ষাৰ করুণ পৰিণতি দুৰ্গা চৰিত্ৰৰ মাজেৰে লেখিকাই বাস্তৱসন্মত ৰূপত অংকন কৰিছে। প্ৰথম অৱস্থাত দুৰ্গাক এগৰাকী সহনশীলা নাৰীৰূপত অংকন কৰা হৈছিল যদিও পাছলৈ তাইৰ ধৈৰ্যৰ বান্ধ শিথিল হৈ পৰিছিল। স্বামীৰ মৃত্যুৰ কাৰণে তাইক জগৰীয়া কৰি প্ৰকৃততে নিজৰ মানুহেই তাইক মানসিক নিৰ্যাতন কৰিছিল। পাছত সমাজৰ পৰা লাভ কৰা অৱহেলাই তাইক বিব্ৰত, বিধ্বস্ত কৰিছিল। চৰিত্ৰটি সম্পৰ্কত ড° বসন্ত কুমাৰ ভট্টাচাৰ্যই এষাৰ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে এনেদৰে — "চৰিত্ৰটোৰ চিত্ৰণত ঔপন্যাসিকাই যি অনুভৱ অনুভূতিৰ আশ্ৰয় লৈছে, সি নিঃসন্দেহে তেওঁৰ ব্যক্তিগত অভিজ্ঞতা আৰু সৃষ্টিশীলতাৰ পৰিচায়ক।" (নিকুমণি ভুঁইয়েন (সম্পা.) মামণি ৰয়চমৰ আভা আৰু প্ৰতিভা, পৃঃ ৮৫)।

উপন্যাসখনৰ আন এক উল্লেখযোগ্য চৰিত্ৰ হ'ল সৰু গোসাঁনী। তেওঁ অধিকাৰ মহাপ্ৰভুৰ সৰু ভায়েক ৰমানন্দ গোস্বামীৰ পত্নী আৰু পাত হালধীয়াৰ গোসাঁইৰ জীয়েক। সত্ৰৰ বছৰেকীয়া সভাত অনুষ্ঠিত উৎসৱত আতচবাজী খেলোতে দুৰ্ঘটনাবশতঃ ৰমানন্দ গোসাঁইৰ মৃত্যু হয়। তাৰ পাছৰে পৰাই স্বামীৰ গৃহতে থাকি সা-সম্পত্তিৰ চোৰা চিতাৰ দায়িত্ব চমজি লয়। তাৰ লগে লগে শিষ্যক শৰণ দিয়া কামো কৰে। গোসাঁনীৰ সাহসক সকলোৰে একমুখে প্ৰশংসা কৰে। এদিনাখন মহীধৰ শৰ্মাপাঠক নামৰ বামুন এজন সৰু গোসাঁনীক সহায় কৰিবলৈ আগবাঢ়ি আহে। অতি সোনকালে বাপু গোসাঁনীৰ আস্থাভাজন হৈ পৰে। মহীধৰ বাপুৰ প্ৰতি এক অনামী আকৰ্ষণে অজানিতে সৰু গোসাঁনীৰ হৃদয়ত পোখা মেলে। খাজনা আদায় কৰাৰ সময়ত আৰু শিচ ফুৰিব যাওঁতে বাপু গোসাঁনীৰ বিশ্বস্ত সংগী হ'ল। কেতিয়াবা বাপু ঘৰলৈ অহাত পলম হ'লে গোসাঁনীৰ চিন্তা হ'বলৈ ধৰে। বাপুক দেখাৰ লগে লগে গোসাঁনীৰ মন ফৰকাল হয়। লেখিকাৰ ভাষাত — "অহৰহ নৈৰাশ্য আৰু বেদনাৰ ডাৱৰে আৱৰি থকা মনত ই এচেৰেঙা সোণালী ৰ'দৰ নিচিনা জাতিস্কাৰ হৈ আহে। মন আনন্দেৰে ভৰাই তোলে।" পাছ মুহূৰ্ততে গোসাঁনীৰ সংস্কাৰাচ্ছন্ন মনে তেওঁক বাধা প্ৰদান কৰে। বিধবা নাৰীৰ পৰপুৰুষৰ প্ৰতি আকৰ্ষণ মহাপাপ। কিন্তু মনক প্ৰবোধ দিয়া অত্যন্ত কঠিন। সেয়ে দুৰ্বল মুহূৰ্তত বাপুৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰিলেও তাক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰে সৰু গোসাঁনীয়ে। লেখিকাই সৰু গোসাঁনীৰ মনৰ দ্বিধা দ্বন্দ্বৰ প্ৰকাশ অতি সাৱলীল ৰূপত অংকন কৰিছে। এগৰাকী বিধবা নাৰীৰ অতৃপ্ত বাসনাক অবদমন কৰাৰ প্ৰযত্ন সৰু গোসাঁনীৰ চৰিত্ৰৰ মাজেৰে লেখিকাই এনেদৰে প্ৰকাশ কৰিছে - "ৰিয়ামৰ খুটা দি কৰা ঘৰৰ তলত অহৰহ তেওঁৰ মনে সেই পুৰুষটিৰ লগত থকাৰ ইচ্ছা কৰে। শাৰীৰিক সম্বন্ধ ঘটোৱাৰ পৰা নিজকে তেওঁ ৰক্ষা কৰিব পাৰিব। এই বিশ্বাস তেওঁৰ আছে। এই সংযমৰ শক্তিক তেওঁ পূৰ্বৰ সংস্কাৰ বুলিয়েই বিশ্বাস কৰে। সেয়ে তেওঁ মানুহৰ মুখৰোচক কাহিনীলৈ ভয় নকৰে।"

মানুহটোক দেখাৰ লগে লগে সৰু গোসাঁনীয়ে মনত এক অভিনৱ বল শক্তি লাভ কৰে। থাকক তেওঁৰ লগত সি ছাঁ হৈ থাকক। গোসাঁনীৰ দৃঢ় বিশ্বাস মহীধৰ বাপু থাকে মানে কোনেও তেওঁৰ ৰায়তী পট্টা

ম্যাদী কৰাব নোৱাৰে। গোসাঁনীৰ ধাৰণা... "আহক হাড়ীত থোৱা এশটা মগুল, মহীধৰ বাপুৰ ওচৰত ভেচভেচীয়া হৈ যাব।" এইদৰে ভিন্ন ভিন্ন চিন্তাই গোসাঁনীৰ মন বিভ্ৰান্ত কৰে।

আনহাতে সৰু গোসাঁনীয়ে মহীধৰ বাপুৰ মনৰ জগত খনৰো কল্পনা কৰে। তেওঁ মন কৰিছে বাপুৱে তেওঁলৈ পোনে পোনে চকুলৈ চাই কথা নকয়। তাৰ অৰ্থ বাপুৰো গোসাঁনীৰ প্ৰতি আকৰ্ষণ আছে নিশ্চয়। তাতে "মাজ বয়সত সংসাৰ ভগা মানুহ।" তেওঁৰ দৰে বাপুৰো নিশ্চয় নিজৰ মনৰ মাজত সংঘৰ্ষ হয়। এগৰাকী বিধবাৰ মনলৈ পৰপুৰুষ সম্পৰ্কে এনে অদ্ভুত চিন্তা অহাতো স্বাভাৱিক নহয়, যদিও গোসাঁনীয়ে তাক দমন কৰিব পৰা নাই। যৌৱনৰ দাবীক অস্বীকাৰ কৰা সহজসাধ্য নহয়। পাছ মুহূৰ্ততে বিবেকৰ উদয় হ'লে গোসাঁনীয়ে নিজৰ মনক ধিক্কাৰ দিয়ে এনেদৰে — "ছিঃ ছিঃ কি কথা ভাবিছে তেওঁ।" এইদৰে এগৰাকী বিধবাৰ অতৃপ্ত হৃদয়ৰ হাহাকাৰ ঔপন্যাসিকাই সাহসিকতাৰে আৰু সংবেদনশীলতাৰে অংকন কৰিছে।

মন কৰিবলগীয়া যে যিজন মহীধৰ বাপুক সৰু গোসাঁনীয়ে অন্তৰেৰে বিশ্বাস কৰিছিল সেইজনেই এদিন তেওঁৰ বিশ্বাস ভংগ কৰি চুৰি কাৰ্যত লিপ্ত হৈ ধৰা পৰিছিল। সন্মুখত বন্দী বাপুক প্ৰত্যক্ষ কৰি গোসাঁনী মূৰ্চ্ছিত হ'ল। সৰু গোসাঁনীৰ মাজেৰে এগৰাকী সাহসী আৰু সংবেদনশীল নাৰীৰ চৰিত্ৰ অংকন কৰা হৈছে। নাৰী মনৰ বৈচিত্ৰ্যপূৰ্ণ ভাব-অনুভূতি, আৱেগ-আকাংক্ষা, সংস্কাৰ, মানসিক দ্বন্দ্ব, নিজৰ মনক নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা আদিৰ জৰিয়তে এগৰাকী বিধবা নাৰীৰ অবদমিত যন্ত্ৰণাৰ বাস্তৱ চিত্ৰ ঔপন্যাসিকাই অতি সাৰ্থকৰূপত সৰু গোসাঁনীৰ চৰিত্ৰৰ মাজেৰে ফুটাই তুলিছে। নাৰীৰ সৰলতাৰ সুযোগ লৈ বিশ্বাসঘাতকতা কৰা পুৰুষ চৰিত্ৰকো মহীধৰ বাপুৰ জৰিয়তে উন্মোচন কৰিছে। বিধবাসকল যে যিকোনো প্ৰকাৰে শোষিত লাঞ্ছিত তাৰেই চিত্ৰায়ণ সৰু গোসাঁনী, দুৰ্গাৰ জৰিয়তে কৰা হৈছে।

উপন্যাসখনৰ মুখ্য চৰিত্ৰ গিৰিবালাক এগৰাকী প্ৰতিবাদী নাৰী ৰূপে অংকন কৰা হৈছে। আমৰাঙা সত্ৰৰ সত্ৰাধিকাৰৰ মৰমৰ জীয়েক আছিল গিৰিবালা। আন দহজনী ছোৱালীৰ দৰে গিৰিবালাৰ শৈশৱো আছিল আনন্দমুখৰ। সেই সময়ত ছোৱালীক মানুহ হোৱাৰ আগতে বিয়া দিয়াৰ নিয়ম আছিল। গিৰিবালাকো বঙৰা সত্ৰৰ লাডু গোসাঁইলৈ বিয়া দিয়া হৈছিল। ছোৱালীক সু-পাত্ৰত গতাব পাৰিলে মংগল অন্যথা ছোৱালীজনীৰ জীৱন দুৰ্বিসহ হৈ পৰে। লাডু গোসাঁইৰ স্বভাৱ চৰিত্ৰ ভাল নাছিল, পিতৃমাতৃৰ হেঁচাত গিৰিবালাই এজন চৰিত্ৰহীন লোকক স্বামীবৰণ কৰিব লগা হ'ল।

সকলো নাৰীৰে কল্পনা জগতত মনৰ মানুহজন লুকাই থাকে। গিৰিবালাৰো আছিল। কিন্তু বাস্তৱত তাই মনৰ মানুহজনক কোনোদিনেই বিচাৰি নাপালে। লম্পট স্বভাৱৰ স্বামীৰ লগতেই তাইৰ দিন-ৰাতি গতানুগতিক ভাৱে পাৰ হয়। পিতৃগৃহৰ স্মৃতিয়ে তাইৰ অকনমানি হৃদয়ত হেন্দোলনি তোলে। কিন্তু তাই তাক নিয়ন্ত্ৰণ কৰে। তাইৰ যন্ত্ৰণাক তাইৰ নিজৰ মাজত লুকাই ৰাখে। ফলত সংগোপনে এক বিদ্ৰোহৰ ভাব তাইৰ মনত বাহ লয়। স্বামীৰ প্ৰতি কোনো ধৰণৰ শ্ৰদ্ধা তাই অনুভৱ নকৰে। কোনো ধৰণৰ আসক্তিৰ অংকুৰণো কাহানিও নহ'ল।

হঠাতে জীৱনৰ সংজ্ঞা উপলব্ধি কৰিবলৈ নৌ পাওঁতেই গিৰিবালা বিধবা হয়। স্বামীৰ অকাল মৃত্যুৱে তাইৰ জীৱনলৈ আন এক প্ৰত্যাহবান কঢ়িয়াই আনিলে। স্বামীৰ লগত থকা অৱস্থাত তাই সমাজৰ চকুত

সুখী আছিল। যদিও যন্ত্রণাৰে ভাৰাক্রান্ত আছিল তাইৰ শৰীৰ আৰু মন। স্বামীৰ মৃত্যুৰ লগে লগে তাই এগৰাকী অভিশপ্ত নাৰীলৈ ৰূপান্তৰিত হ'ল। সমাজৰ দৃষ্টিত তাই বিধবাৰ খিতাপ পালে। আন দহজনী বিধবা নাৰীৰ দৰে তায়ো আহি পিতৃ ভিঠাত আশ্রয় ল'লেহি। ভৰ যৌৱনা জীয়েকৰ ভাগ্যৰ বিড়ম্বনাই মাক গোসাঁনীক গভীৰ শোক দিয়ে, লুকাই চুৰকৈ চকুলো টোকে। জীয়েকৰ দুৰ্দশাই মাতৃ হৃদয়ত হাহাকাৰ জন্মায় অথচ সমাজৰ নীতি নিয়মকো অৱহেলা কৰা নাযায়। সেয়ে জীয়েকক উপদেশ পৰামৰ্শ দি সমাজৰ নীতি-নিয়ম মানি চলিবলৈ বুজনি দিয়ে।

গিৰিবালা ঘৰলৈ অহাৰ বাতৰি পোৱাৰ লগে লগে গাঁৱৰ মানুহে হিলদল ভাগি খবৰ কৰিবলৈ আহিল। সান্ত্বনাৰ ফুলজাৰিয়ে গিৰিবালাক ব্যতিব্যস্ত কৰি তুলিলে। মানুহৰ প্ৰশ্নৰ উত্তৰ বিচাৰি নাপাই তাই আঁতৰি পাকঘৰলৈ সোমাব খোজাত মাছৰ চৰু থকা বুলি পেহীয়েক দুৰ্গাই বাধা দিলে। পাছফালৰ পুখুৰীৰ পাৰলৈকো যাবলৈ তাইক বাধা দিয়া হ'ল। আগৰ দৰে মুকলিমুৰীয়াকৈ তাই এতিয়া থাকিব নোৱাৰে কাৰণ তাই এজনী বিধবা। পৰ্বতৰ সমান দিনবোৰ কেনেকৈ কটাব বুলি মন্তব্য কৰা নাৰীসকলে তাইৰ যন্ত্রণাক যেন উপহাসহে কৰিছে। উপায়হীন গিৰিবালাই পৰম্পৰা মানি চলিবলৈ বাধ্য হৈছে যদিও ভিতৰি ভিতৰি বিদ্রোহী হৈ পৰিছে।

দিনযোৱাৰ লগে লগে গিৰিবালাৰ মানসিক অস্থিৰতা বৃদ্ধি পাবলৈ ধৰিলে। বিয়াৰ পাছতে স্বামীৰ দ্বাৰা লাঞ্ছিতা গিৰিবালাই পেহীয়েক, খুড়ীয়েকহঁতৰ দৰে সমাজে বান্ধি দিয়া নিয়ম মানি চলাৰ পক্ষপাতী নহয়। সেয়ে সমাজৰ প্ৰচলিত পৰম্পৰাৰ প্ৰতি এক বিদ্রোহৰ ভাৱে তাইৰ মনত সন্তপৰ্ণে প্ৰৱেশ কৰে। এক অতৃপ্ত ক্ষুধাই তাইক শাৰীৰিক আৰু মানসিকভাৱে জুৰুলা কৰিবলৈ লয়। ঔপন্যাসিকাই কেবাটাও ঘটনাৰ জৰিয়তে প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি গিৰিবালাৰ প্ৰতিবাদ সাহসিকভাবে ব্যক্ত কৰিছে। তেওঁৰ প্ৰায়বোৰ গল্প বা উপন্যাসত নাৰীক প্ৰতিবাদী আৰু নিৰ্ভীক ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। এই সম্পৰ্কত অভিমত প্ৰকাশ কৰি লেখিকাই কৈছে — “মোৰ নাৰী চৰিত্ৰ সমূহৰ মাজত মোৰ ব্যক্তিগত জীৱনৰ ক্ষোভ শোক মিশ্ৰিত হৈ থাকে।” (হৃদয়ানন্দ গগৈ (সম্পা.) আধুনিকতাৰ সন্ধানত মামণি ৰয়চম গোস্বামী, পৃঃ ১৬৫)। ইয়াৰ চিটিকনি গিৰিবালা চৰিত্ৰটো দেখা পোৱা গৈছে।

বুঢ়া গোসাঁইৰ বছৰেকীয়া শ্ৰাদ্ধত মাংস খোৱাৰ লোভ তাই সামৰিব পৰা নাই। ভোজৰ আঞ্জাৰ গোন্ধই তাক অস্থিৰ কৰি তুলিছে। স্বামী লাডু গোসাঁয়ে মাংসৰ আঞ্জা খাই ভাল পাইছিল। অজাতিৰ ঘৰত মাংস খাই পৰাচিতো হৈছিল। গিৰিবালাই গুঁইসাপৰ আঞ্জাও এবাৰ তৃপ্তিৰে খোৱা দেখি মাক গোসাঁনীয়ে তিৰী মানুহৰ এনাই লোভ হৰা অমংগল বুলি সঁকীয়াই দিয়াৰ কথা তাইৰ মনত পৰিল। নাই তাই প্ৰচলিত নীতি মানি থাকিব নোৱাৰে। গিৰিবালাৰ শ্ৰাদ্ধৰ ভোজৰ মাংস খোৱাৰ বৰ্ণনা ঔপন্যাসিকাই অতি সংবেদনশীলতাৰে প্ৰকাশ কৰিছে যি প্ৰতিজন হৃদয়বান ব্যক্তিৰ হৃদয় স্পৰ্শ কৰে।

সাউৎকৰে গৈ গিৰিবালাই ঢেঁখালৰ কোনৰ মাংসৰ থালীটোৰ ওচৰত থিয় হ'ল। কলপাত আঁতৰাই তাই কাণ্ডজ্ঞান হেৰুৱাই এগৰাহ মাংস মুখলৈ নিলে। বিধবা হোৱাৰ পিছত সুদীৰ্ঘ কাল তাই হাবিষীয়া ভাত খাই আছিল। সাদ-সোৱাদ নোহোৱা সিদ্ধ শাক-পাছলিবোৰ খাই খাই তাই একপ্ৰকাৰ ওকালিয়াব আৰম্ভ

কৰিছিল।

কেনে সুন্দৰ সোৱাদ
আৰু এগৰাহ।
আৰু এগৰাহ।।

দেশ কাল পাত্ৰ পাহৰি গিৰিবালাই একান্ত মনে মাংস ভাত খোৱাত লাগিল। এই অপৰাধৰ কাৰণে গিৰিবালাক শাৰীৰিক ভাবে মাক গোসাঁনীয়ে প্ৰহাৰ কৰে। পেহীয়েক দুৰ্গাই ভৎসনা কৰে। তাইক পৰাচিতো কৰা হয়। উপায়হীন গিৰিবালাই সমাজৰ বিধি নতশিৰে মানি ল'লে। কিন্তু তাইৰ মনৰ ক্ষোভ আঁতৰ নহ'ল।

এইবাৰ সমাজে বান্ধি দিয়া আন এক নিয়ম তাই ভংগ কৰিলে। ককায়েক ইন্দ্ৰনাথে ধৰ্মপ্ৰচাৰৰ কাৰণে অহা সন্যাসী মাৰ্ক চাহাবক গিৰিবালাৰ লগ চিনাকি কৰাই দিছিল। উদ্দেশ্য তাইৰ মানসিক অস্থিৰতা কিছু লাঘৱ কৰা। লাহে লাহে মাৰ্ক চাহাবৰ ব্যক্তিত্বই তাইক ক্ৰমাৎ আকৰ্ষণ কৰিবলৈ লয়। তেওঁৰ মাজত নিজৰ কল্পনাৰ পুৰুষজনক বিচাৰি পায়। চৰিত্ৰহীন মৃত স্বামীক বুকুত লৈ সন্মুখত পৰি থকা দীঘলীয়া জীৱনটো পাৰ কৰি দিয়াৰ পৰিৱৰ্তে মাৰ্ক চাহাবৰ লগত এক নতুন জীৱন আৰম্ভ কৰাৰ সপোন দেখে গিৰিবালাই। মাৰ্ক চাহাবক পুথি পাঁজি গোটাই দিয়ে, মন খুলি হৃদয়ৰ কথা কয়। মাৰ্কৰো তাইৰ প্ৰতি দয়া হয়। তাইৰ মনৰ দুৰ্বলতাৰ কথা জানিব পাৰি মাৰ্কে তাইক মৰমেৰে সমাজৰ পৰম্পৰা মানি চলিবলৈ পৰামৰ্শ দিয়ে।

গিৰিবালা অত্যন্ত জেদী মনোভাৱৰ নাৰী। লগতে তাই দুৰ্দান্ত সাহসীও। সেয়ে মাৰ্কৰ আগত মনৰ ক্ষোভ যন্ত্ৰণাক সংকোচহীন ভাবে ব্যক্ত কৰিব পাৰিছিল। তাই নিজৰ স্বামীৰ কথাও ক্ষোভেৰে কয়। যি পুৰুষে নিজৰ স্ত্ৰীক অৱহেলা কৰি পৰস্ত্ৰী গমন কৰে তেনে পুৰুষক তাই ঘিণ কৰে। গতিকে চৰিত্ৰহীন মৃত স্বামীৰ প্ৰতি তাইৰ অন্তৰত কোনো অনুকম্পা নাই। তেনে ব্যক্তিৰ খৰমত গোটেই জীৱন ফুল-তুলসী দি পূজা কৰাৰ পক্ষপাতি তাই নহয়। মাৰ্ক চাহাবৰ নিস্পৃহতাই তাইক হতাশ কৰে। ধৰ্মৰ দোহাই দি মাৰ্কে তাইক কয় — "গিৰি মই মোৰ ক্ষুদ্ৰ নতশিৰে মানুহৰ দুখ নিবাৰণৰ চেষ্টা কৰোঁ। ... মই এটি পৰপুৰুষ। এই পৰপুৰুষৰ ওচৰত তুমি অনেক সময় অতিবাহিত কৰিছা। আৰু ভয় হৈছে মই তোমাক হয়তো সঠিক পথ দেখুৱাব নোৱাৰিম।"

ইফালে গিৰিবালাক নিবলৈ শহুৰেকৰ ঘৰৰ পৰা মানুহ অহাৰ উমান পাই তাইৰ অন্তৰে হাহাকাৰ কৰে। তাইৰ কাৰণে শহুৰৰ ঘৰলৈ যোৱা আৰু শ্মশানলৈ যোৱা একেই কথা। তাই শেষ আশা বুকুত বান্ধি নিশা মাৰ্ক চাহাবৰ ঘৰ ওলাইগৈ। তাই আবেগ বিহবল হৈ মাৰ্কক নিজৰ সৌন্দৰ্যৰ কথা এনেদৰে কয় — "চাহাব জগলীয়াৰ পাৰৰ গহেঁনীমখাই কছিল, গিৰিবালা ঠগুৱা, গুলেচী ফুলৰ দৰে চেহেৰা। মই সেই কথা পাতিয়েছিলু। ছুই চাৰ চাহাব। চুই চাৰ সাৰমৰ্ম একো নাইনা মোৰ এই দেহাৰ।" এগৰাকী বিধবা নাৰীৰ অৱদমিত যৌনাকাংক্ষাক লেখিকাই সংবেদনশীলতাৰে এনেদৰে প্ৰকাশ কৰিছে। সমাজৰ হেঁচাত একোজনী নাৰীয়ে বিধবা হোৱাৰ কাৰণেই নিজৰ মনৰ আৱেগ আকাংক্ষাক অৱদমন কৰি ৰখাটো নিতান্তই কষ্টকৰ আছিল। ইয়াৰ ফলস্বৰূপে কোনো কোনোৱে মানসিক ভাৰসাম্য হেৰুৱাই দুৰ্বিসহ জীৱন যাপন কৰিছিল অথচ প্ৰতিবাদ কৰাৰ সাহস নকৰিছিল।

গিৰিবালাৰ অন্তৰস্পৰ্শী কথাই মাৰ্কৰ অন্তৰতো হেন্দোলনি তুলিছিল। নাৰীৰ অন্তৰৰ কোমলতাক

স্পৰ্শ কৰিবলৈ অপাৰগ মাৰ্ক গিৰিবালাৰ ওচৰত অসহায় হৈ পৰিল। তেওঁৰ চকুলো ওলাল। গিৰিবালাক বিচাৰি পুৰুষোত্তম ঠাকুৰকে আদি কৰি জনাদিয়েক লোক মাৰ্ক চাহাবৰ ঘৰ পায়গৈ আৰু তাত গিৰিবালাক প্ৰায়শ্চিত্তৰ বিধান দিয়ে।

এইবাৰ গিৰিবালাৰ ধৈৰ্যৰ বান্ধ ছিগি পৰে। যি সমাজে তাইৰ প্ৰতিটো কামতে দোষ দেখে, প্ৰায়শ্চিত্তৰ বিধান দিয়ে সেই সমাজৰ লাঞ্ছনা গঞ্জনা সহ্য কৰি তিলতিলকৈ জীয়াই থকাতকৈ মৃত্যুকে তাই শ্ৰেয় জ্ঞান কৰিলে। সেয়ে এইবাৰ প্ৰায়শ্চিত্তৰ আঁৰ লৈ আত্মহননৰ পথকে বাচি ল'লে, মেষদাহৰ জুইত এজনী কোমল মনৰ বিধবাৰ জীৱনৰ কৰুণ সমাপ্তি ঘটিল।

এইদৰে "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত" তিনিগৰাকী বিধবা নাৰীৰ মানসিক দ্বন্দ্বৰ সুন্দৰ প্ৰতিচ্ছবি লেখিকাই সাহস আৰু সংবেদনশীলতাৰে প্ৰকাশ কৰিছে। সেই সময়ত সংৰক্ষণশীল সমাজ ব্যৱস্থাত নাৰীক কিদৰে অৱদমন কৰি ৰখা হৈছিল, বিশেষকৈ বিধবা নাৰীৰ মানসিক অস্থিৰতাৰ দস্তাৱেজ উপন্যাসখনিত চিত্ৰিত হৈছে। সমাজৰ পৰম্পৰাৰ নামত নিজৰ ইচ্ছা আকাংক্ষাক অবদমিত কৰি ৰখা বিধবাও সেইখন সমাজত আছিল। মনৰ ইচ্ছা থকা সত্বেও প্ৰতিবাদ কৰিবলৈ ভয় কৰা নাৰী তেতিয়াও আছিল, এতিয়াও আছে। কিন্তু গিৰিবালাৰ জৰিয়তে প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি মুকলি বিদ্ৰোহ সমাজখনত চলি থকা অন্ধবিশ্বাসৰ কৰুণ প্ৰতিচ্ছৱি দাঙি ধৰিছে। এগৰাকী নাৰীৰ আত্মবলিদানৰ পাছতহে সমাজৰ চকু কিছু খোল খাইছে। ইয়াতেই ঔপন্যাসিকাৰ সফলতা। তেখেতে গিৰিবালাৰ আত্মহত্যাৰ জৰিয়তে প্ৰচলিত সমাজ ব্যৱস্থাটোকে কুঠাৰাঘাত কৰিছে।

**সহায়ক গ্ৰন্থ ঃ**

"দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা"
— মামণি ৰয়চম গোস্বামী
"মামণি ৰয়চম - স্বপ্ন-দুঃস্বপ্নৰ ডায়েৰী"
— হেমন্ত কুমাৰ ভৰালী
"মামণি ৰয়চমৰ আভা আৰু প্ৰতিভা"
— সম্পাদনা - নিকুমনি হুচেইন
"আধুনিকতাৰ সন্ধানত মামণি ৰয়চম"
— হৃদয়ানন্দ গগৈ
"ভাল পাওঁ তোমাক মামণি"
— হেমন্ত কুমাৰ ভৰালী